# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

। ১৪৪ সংখ্যা, ১৩ পুহ, দেওবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 144 । DIBRUGARH, SUNDAY, DECEMBER 29, 2024 । পৃষ্ঠা ১৬ (Pages 1


## শিক্ষক-কৰ্ম

নিৰ্বাচন সমাগত। নৱবৰ্ষত ৰা
খবৰ দিব মুখ্যমন্ত্ৰী ডঃ হিমন্ত
ৰ প্ৰথম ভাগতেই ৰাজ্যত পঞ্চা
বিধানসভা নিৰ্বাচনৰ আগে
নিৰ্বাচনে এক বিশেষ গুৰুত্ব
ফলাফলে আগন্তুক বিধানস
াধাৰণতে পঞ্চায়ত নিৰ্বাচন,

পুনৰত

মত

### কানৈ মহাবিদ্যালয়ত বিজ্ঞানী ডঃ মুকুট গোহাঁই

# কিতাপ পঢ়া মানুহৰ সাহস বেছি

জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ২৮ ডিচেম্বৰঃ** 'কিতাপ পঢ়া মানুহৰ সাহস বেছি। আমি সৰুৰে পৰা কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগে।' দক্ষিণ আফ্ৰিকাৰ প্ৰিটৰিয়াত কেমিকেল প্ৰচেছ টেকন'লজীৰ বিশিষ্ট বিজ্ঞানী তথা অসম-সন্তান ডঃ মুকুট গোহাঁয়ে ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰে হোৱা মতবিনিময় অনুষ্ঠানত আজি এইদৰে কয়। ডঃ গোহাঁয়ে কয়, 'সৰু অৱস্থাত মোৰ দেউতাৰ এখন বাতৰি কাকত কিনি অনাৰ সামৰ্থ্য নাছিল। তথাপি মই মোৰ অধ্যয়নপিপাসু মনটোক শান্ত কৰিব নোৱাৰি মোক বিদ্যালয়লৈ যাওঁতে দিয়া হাত খৰচৰ টকা সাঁচি কিতাপ, আলোচনী অথবা বাতৰি কাকত কিনি পঢ়িছিলোঁ।' অধ্যাপিকা ডঃ এনিশা দত্তই আঁত ধৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই আদৰণী ভাষণ দি বিশিষ্ট বিজ্ঞানী ডঃ মুকুট গোহাঁই আৰু তেওঁৰ সহধৰ্মিণী, বিশিষ্ট বিজ্ঞানী তথা কানৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাক্তন ছাত্ৰী ডঃ সংগীতা বৰুৱা গোহাঁই মহাবিদ্যালয়খনলৈ আহি অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰী-ছাত্ৰীসকলৰ লগত মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট লেখক ফটিক চন্দ্ৰ নেওগে অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াক নিজৰ দুখনকৈ কিতাপ উপহাৰ হিচাপে প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ প্ৰিয়দেৱ গোস্বামী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ডঃ দীপংকজ গগৈকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

৩ পৃষ্ঠাৰ পৰা

## ধুবুৰীত উন্নয়নমূলক

প্ৰশাসনৰ বিভাগীয় মুৰব্বীসকলৰ সৈতে এক বৈঠকত মিলিত হয়
জিলাখনত চলি থকা বিভিন্ন উন্নয়নমূলক আঁচনিৰ কামৰ বুজ লে
মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত মন্তব্য কৰে যে ২০২১ চনৰ
জিলাত বহু উন্নয়নমূলক কাম কৰা হৈছে। পঞ্চায়ত নিৰ্বাচনক লৈ মন্ত্ৰী
মন্তব্য কৰে যে উচ্চন্যায়ালয়ে অনুমতি দিলে আগন্তুক বৰ্ষৰ ১০
ভিতৰত ৰাজ্যত পঞ্চায়ত নিৰ্বাচন সম্পূৰ্ণ হ'ব। তেওঁ আৰু কয়
শাসন কালতে একমাত্ৰ ভোটৰ স্বাৰ্থতে ৫০ লাখ ভুৱা হিতাধিক
কাৰ্ড বিতৰণ কৰা হৈছিল। কিন্তু বিজেপিয়ে শাসনৰ বাঘজৰী
৫০ লাখ ভুৱা হিতাধিকাৰীৰ নাম কাটি প্ৰকৃত দুখীয়া লোকক
সুবিধা দিছে বুলি মন্ত্ৰী ৰঞ্জিৎ দাসে দাবী কৰে। ইপিনে ভাৰত-
সীমান্তৱৰ্তী ধুবুৰী জিলাখনত পৰ্যটনৰ যথেষ্ট স্থল আছে বুলি কৈ
দাসে কয় যে দেশৰ ভিন্ন প্ৰান্তৰ লগতে বহু বহিঃৰাষ্ট্ৰৰ পৰ্যটকে ধুবুৰী
সেয়ে অসম চৰকাৰে নদী পৰ্যটন গঢ়ি তোলাৰ বাবেও ব্যৱস্থা
বুলি তেওঁ কয়। গুৱাহাটীৰ লগতে মাজুলী, শুৱালকুছি আৰু
পৰ্যটনৰ ওপৰত গুৰুত্ব দিয়া